*Science Research.* Delhi: Sage Publications India Pvt. Ltd.
৫) Kothari, C.R. (2006). *Research Methodology: Methods and Techniques.* New Delhi: New Age International (P) Ltd.
৬) Scott and Marshall. Oxford Dictionary of Sociology.
৭) Young, Pauline V. (1966). *Scientific Social Surveys and Research (Fourth edition).*New Delhi: Prentice Hall of India Pvt. Ltd.

## ৩.৭ অগ্রগতিৰ খতিয়ান

**১নং প্রশ্নৰ উত্তৰ ঃ** কেন্দ্রীভূত সমূহ আলোচনা হৈছে এটা সমূহৰ লগত হোৱা সাক্ষাৎকাৰ য'ত এটা নির্দিষ্ট বিষয়ৰ ওপৰত আলোচনাত ভাগ লোৱা লোকসকলে মত বিনিময় কৰে।

**২নং প্রশ্নৰ উত্তৰ ঃ** পৰিমাণগত গৱেষণাত প্রধানকৈ পর্যৱেক্ষণত লাভ কৰা তথ্য সন্দর্ভত গণনা আৰু বৈশিষ্ট্যপূর্ণ গুণৰ শ্রেণীকৰণৰ লগতে পাৰিসাংখ্যিক আহি আৰু আকাৰ গঠনত গুৰুত্ব দিয়া হয়। পৰিমাণগত গৱেষণাৰ কৌশলে তথ্যৰ পৰিমাণ নির্ধাৰণ কৰাৰ লগতে পাৰিসাংখ্যিক বিশ্লেষণৰ কেতবোৰ প্রকাৰ ব্যৱহাৰ কৰে। সংখ্যাগত প্রাৱল্যৰ লক্ষণ পৰিমাণগত তথ্যত বিদ্যমান। পৰিমাণগত গৱেষণাত কেৱল গণনা কৰিব পৰা তথ্যহে সংগ্রহ কৰি বিশ্লেষণ কৰা হয় আৰু সেইবাবে ইয়াৰ দৃষ্টিভংগী বস্তুগত। আনহাতে গুণগত গৱেষণাই অংশগ্রহণকাৰীৰ দৃষ্টিৰে বস্তুগত অর্থ অনুধাৱনৰ বাবে প্রচেষ্টা চলায়। গুণগত গৱেষণাৰ মূল লক্ষ্য হৈছে গৱেষণাৰ বিষয়ৰ এক সম্পূর্ণ আৰু বিস্তৃত বর্ণনা তুলি ধৰা। ইয়াৰ প্রকৃতি হৈছে সাধাৰণতে অনুসন্ধানমূলক। গৱেষণাৰ পৰিস্থিতি মুকলিকৈ ৰাখিবলৈ প্রয়াস কৰা হয় যাতে গৱেষকে সামাজিক পৰিস্থিতি বিশ্লেষণ কৰিব পাৰে। গুণগত গৱেষণাত গৱেষকজনে প্রাথমিক তথ্য সংগ্রহকাৰী ৰূপে কার্য কৰে। ইয়াত গৱেষকজনে নিজৰ গৱেষণাৰ দৃষ্টিভংগী অথবা প্রয়োজনীয়তা অনুসৰি তথ্য সংগ্রহৰ বিভিন্ন কৌশল প্রয়োগ কৰে।

## ৩.৮ আহি প্রশ্ন

**ক) চুটি প্রশ্ন** (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গুণগত গৱেষণাৰ সুবিধা সমূহ কি?

প্রশ্ন ২ ঃ পৰিমাণগত আৰু গুণগত গৱেষণাত অভিকল্প অথবা হাইপ'থেছিছৰ গুৰুত্ব চমুকৈ ব্যাখ্যা কৰক।

**খ) ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গুণগত আৰু পৰিমাণগত গৱেষণা ব্যৱহৃত তথ্য সংগ্রহৰ বিভিন্ন পদ্ধতিসমূহ আলোচনা কৰক।

*** ***** ***